জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৮৭/২০২০**

# ৰাজ্যখনৰ কৃষকৰ দ্বাৰা উৎপাদিত ৰঙালাউ ডুবাইলৈ কাৰ্গো বিমানেৰে ৰপ্তানিৰ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ঘৰুৱা বিমান সেৱা আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত বৰঝাৰ বিমান বন্দৰত যাত্ৰীসকলৰ বাবে উপলব্ধ কৰোৱা ব্যৱস্থাৱলীসমূহৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## আভ্যন্তৰীণ জল পৰিবহনৰ উদ্যোগত পাণ্ডুৰ পৰা ষ্টীমাৰেৰে অসমৰ কৃষিজাত সামগ্ৰী ৰপ্তানিৰ পদক্ষেপ লৈ থকা হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কৃষিমন্ত্ৰী অতুল বৰা তথা উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ কাৰ্গো টাৰ্মিনেল চেন্টাৰত ডুবাইলৈ কাৰ্গো বিমানেৰে ৰাজ্যখনৰ কৃষকৰ দ্বাৰা উৎপাদিত ৰঙালাউৰ ৰপ্তানিৰ প্ৰক্ৰিয়াৰ ফ্লেগ অফ কৰি শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত ক'ভিড-১৯ৰ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত অলপতে আৰম্ভ হোৱা ঘৰুৱা বিমান সেৱাৰ দ্বাৰা ৰাজ্যখনৰ বাহিৰৰ পৰা অহা তথা ৰাজ্যখনৰ পৰা ভাৰতৰ বিভিন্ন স্থানলৈ যোৱা বিমান যাত্ৰীসকলৰ বিভিন্ন পৰীক্ষা তথা পঞ্জীয়ন ইত্যাদিৰ বাবে উপলব্ধ কৰা ব্যৱস্থাৱলীৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই পৰিদৰ্শনৰ সময়ত বিমান বন্দৰত কৰ্তব্যত নিয়োজিত হৈ থকা স্বাস্থ্য বিষয়া, স্বাস্থ্য কৰ্মী, চি আই এছ এফ, অসম ৰাজ্যিক পৰিবহন নিগম ইত্যাদি বিভাগসমূহৰ কৰ্মচাৰীসকলৰ সৈতেও মত-বিনিময় কৰে।

পৰিদৰ্শনৰ পিছতে বিমান বন্দৰ চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে চতুৰ্থ পৰ্যায়ৰ লক ডাউনৰ সময়ছোৱাত ভাৰতৰ বিভিন্ন ৰাজ্যত আবদ্ধ হৈ থকা অসমৰ লোকসকলক ৰাজ্যখনলৈ ঘূৰাই অনাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে। ৰে'ল আৰু বিমানেৰে ইতিমধ্যে অসমৰ বহু সংখ্যক লোক অসম আহি পাইছে। গুৱাহাটী বিমান বন্দৰত এতিয়ালৈকে ৩৮ খন বিমান অৱতৰণ কৰিছে। এতিয়ালৈকে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা ৩৪২১ গৰাকী যাত্ৰী বিমানেৰে অসম আহি পাইছে। তদুপৰি অসমৰ পৰাও এতিয়ালৈকে সৰ্বমুঠ ১১৯০ গৰাকী যাত্ৰী বিমানেৰে ভাৰতৰ বিভিন্ন ৰাজ্যলৈ গৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে অত্যন্ত নিষ্ঠাৰে এই ব্যৱস্থাৱলীসমূহ লৈছে যাতে যাত্ৰীসকলে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয়। লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত উপলব্ধ কৰোৱা এই ব্যৱস্থাৱলীসমূহত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ, পৰিবহন বিভাগ, আৰক্ষী বাহিনী, কৰ বিভাগ,

আবকাৰী বিভাগ আদি বিভাগে যৌথভাৱে ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণ তথা চি আই এছ এফৰ লগত কৰ্তব্যত আত্মনিয়োগ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। আগন্তুক দিনতো যাত্ৰীসকলৰ বাবে এনেধৰণৰ সা-সুবিধা প্ৰদানৰ বাবে চৰকাৰে নিষ্ঠাৰে কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই প্ৰক্ৰিয়াত অসম ৰাজ্যিক পৰিবহন নিগমৰ চালক তথা কৰ্মকৰ্তাসকলে অসমৰ বিভিন্ন স্থানলৈ যাত্ৰীসকলক কঢ়িয়াই নি অহৰ্নিশে যি সেৱা আগবঢ়াই আছে সেই সেৱাৰো মুখ্যমন্ত্ৰীয়ে শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ বিৰুদ্ধে চলোৱা এই যুঁজখনত সকলোৱে দৃঢ়তাৰে আৰু ঐক্যবদ্ধতাৰে যুঁজ দিছে। অসমৰ ৩৩ খন জিলাৰ ৩ কোটি ৩০ লাখ জনসাধাৰণে ক'ভিড-১৯ ৰ বিৰুদ্ধে ঐক্যবদ্ধ তথা শৃংখলাবদ্ধভাৱে যুঁজ দি আছে বুলি কৈ জনসাধাৰণৰ সহযোগিতাৰ ফলশ্ৰুতিতে চৰকাৰে লোৱা ব্যৱস্থাৱলীসমূহ ফলপ্ৰসূভাৱে ৰূপায়ণ কৰাটো সম্ভৱ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমৰ কৃষকৰ উৎপাদিত সামগ্ৰী বৰঝাৰ বিমান বন্দৰস্থিত কাৰ্গো টাৰ্মিনেল চেন্টাৰৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন ঠাইলৈ ৰপ্তানি কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইতিমধ্যে ডুবাই, আবুঢাবি, লণ্ডন, হংকং, ছিংগাপুৰ ইত্যাদি ঠাইৰ বজাৰসমূহত অসমৰ কৃষকৰ উৎপাদিত সামগ্ৰী বিক্ৰী হৈছে বুলি কৈ আজিও অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত ৰঙালাউ ডুবাইলৈ ৰপ্তানি কৰাৰ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমান চৰকাৰৰ কাৰ্যকালতে বৰঝাৰ বিমান বন্দৰত ভাৰত চৰকাৰৰ সহযোগত তথা ৰাজ্য চৰকাৰৰ উদ্যোগ বিভাগৰ তৎপৰতাত কাৰ্গো টাৰ্মিনেল বিল্ডিং নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। এই কাৰ্গো ৱেৰ হাউছত ৫০ মেট্ৰিকটন কৃষিজাত সামগ্ৰী মজুত কৰাৰ ব্যৱস্থা থাকিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ পৰাই পৃথিৱীৰ বিভিন্ন প্ৰান্তলৈ অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত কৃষিজাত সামগ্ৰী ৰপ্তানি কৰিবলৈ ৰাজ্যখনে সক্ষম হ'ব বুলিও কয়। আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ উদ্যোগত পাণ্ডুৰ পৰা ষ্টীমাৰেৰে অসমৰ কৃষিজাত সামগ্ৰী ব্ৰহ্মপুত্ৰৰে বংগোপ সাগৰ হৈ বিভিন্ন প্ৰান্তলৈ ৰপ্তানিৰ পদক্ষেপ লৈ থকা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ ভিতৰত দেশৰ কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ যি লক্ষ্য স্থিৰ কৰিছে সেই লক্ষ্য পূৰণৰ দিশত এই সমূহ পদক্ষেপ লৈ থকা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসমৰ কৃষকে যাতে কৃষিজাত সামগ্ৰীৰ এখন বহল বজাৰ লাভ কৰিব পাৰে তাৰ বাবেই ৰপ্তানিৰ পদক্ষেপ লৈ থকা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইতিমধ্যে এই বিমান বন্দৰৰ পৰাই অসমৰ কৃষকৰ দ্বাৰা উৎপাদিত প্ৰায় ১৮২ মেট্ৰিকটন শাক-পাচলি তথা ফলমূল এতিয়ালৈকে পৃথিৱীৰ বিভিন্ন স্থানলৈ ৰপ্তানি কৰা হৈছে বুলিও উল্লেখ কৰি আগন্তুক দিনতো ৰাজ্যখনৰ কৃষকে ৰাজ্যৰ কৃষি অৰ্থনীতি শক্তিশালী কৰাৰ দিশত নিষ্ঠা সহকাৰে আত্মনিয়োগ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, কৃষিমন্ত্ৰী অতুল বৰাৰ লগতে আৰক্ষীকে ধৰি ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়াসকল তথা চি আই এছ এফ আৰু ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ বিষয়াসকল উপস্থিত থাকে।

**বঃভাঃ**
**২৮/৫/২০২০**